জান্নাত হৈছে তোমালোকৰ জুতাৰ ফিতাতকৈও অধিক নিকটৱৰ্তী আৰু জাহান্নামো সিমানেই নিকটৱৰ্তী।

ইবনে মাছউদ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ জান্নাত হৈছে তোমালোকৰ জুতাৰ ফিতাতকৈও অধিক নিকটৱৰ্তী আৰু জাহান্নামো সিমানেই নিকটৱৰ্তী।
[ছহীহ] [(বুখাৰী)]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, জান্নাত আৰু জাহান্নাম হৈছে মানুহৰ নিচেই ওচৰত, জুতাৰ ফিতাতকৈও ওচৰত, যিদৰে জুতাৰ ফিতা ভৰিৰ ওপৰি ভাগত থাকে। এতেকে যিয়ে আল্লাহৰ সন্তুষ্টি অৰ্জনৰ উদ্দেশ্যে আল্লাহৰ আনুগত্য কৰিব তেওঁ জান্নাতত প্ৰৱেশ কৰিব, আনহাতে যিয়ে গুনাহত লিপ্ত হ'ব সি জাহান্নামত প্ৰৱেশ কৰিব।

https://sunnah.global/hadeeth/as/show/3581